# নামৰূপ মহাবিদ্যালয়
# NAMRUP COLLEGE

*"তেজৰ বোলেৰে লিখি যাম ইতিহাস
মচি যাম দীন সমাজৰ
হীন পৰিহাস"*

---

## ৰাভা দিৱস
## ২০ জুন ২০২১

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ ৫২ তম মৃত্য তিথিত নামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC) ৰ উদ্যোগত অহা ২০ জুন ২০২১ তাৰিখে শ্ৰদ্ধাঞ্জলী অনুষ্ঠান আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি নামৰূপ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অনলাইন যোগে গীত, কবিতা আৰু ব ক্তৃতা প্ৰদান অনুষ্ঠান ৰ আয়োজন কৰা হৈছে । গতিকে যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ গীত, কবিতা বা তেখেতৰ জীৱন সম্পৰ্কে চমু ব ক্তৃতা প্ৰদান কৰিব বিচাৰে তেওঁলোকে ভিডিঅ' ৰেকডিং কৰি অহা ১৮ জুন ২০২১ তাৰিখৰ ভিতৰত তলৰ লিংকত পঠিয়াবলৈ আহ্বান জনোৱা হ'ল। উপযুক্ত হোৱা প্ৰতিটো ভিডিঅ' উক্ত অনুষ্ঠানত প্ৰদৰ্শন কৰা হ'ব। এই কাৰ্যসূচীত প্ৰদৰ্শিত হোৱা ভিডিঅ' প্ৰস্তুতকৰ্তা সকলো ছাত্ৰ-ছাত্ৰীসকলক ই-প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। ভিডিঅ' প্ৰেৰণ কৰাৰ আগতে প্ৰেৰকসকলক তলৰ নিয়মসমূহ চাবলৈ অনুৰোধ জনোৱা হ'ল-

১। গীত, কবিতা বা বক্তৃতা কেৱল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ দ্বাৰা ৰচিত হ'ব লাগিব।

২। গীত, কবিতা বা বক্তৃতা ভিডিঅ' ৰেকডিং সৰ্বাধিক ৫ মিনিট আৰু ১০০ MB ভিতৰত হ'ব লাগিব।

৩। গীত, কবিতা আৰু বক্তৃতা প্ৰদানৰ আগতে নিজৰ পৰিচয় দিয়াটো বাঞ্ছনীয়।

৪। ভিডিঅ'সমূহ অহা ১৮ জুন ২০২১ ৰ ভিতৰত Google Form ৰ যোগেদি প্ৰেৰণ কৰিব লাগিব।

ভিডিঅ' জমা কৰা লিংক- https://forms.gle/ERtTDiitx6c5kDQL8


কাৰ্যসূচী বিষয়ক সহায়ৰ বাবে 9365059925 ত যোগাযোগ কৰিব পাৰিব

কাৰিকৰী সম্পৰ্কীয় সহায়ৰ বাবে 9707664539 ত যোগাযোগ কৰিব পাৰিব

E-mail: iqacnamcol@gmail.com, website: www.namrupcollege.edu.in


আয়োজক মণ্ডলী


বিমল চন্দ্ৰ গগৈ
ভাৰপ্ৰাপ্ত অধ্যক্ষ
নামৰূপ মহাবিদ্যালয়

ৰূপক কুমাৰ বৰগোহাঁই
সমন্বয়ক, IQAC
নামৰূপ মহাবিদ্যালয়

ড° ছবি গগৈ
মূৰব্বী, অসমীয়া বিভাগ
নামৰূপ মহাবিদ্যালয়

ৰিজুমণি দাস
কাৰ্যসূচী সম্পাদিকা
নামৰূপ মহাবিদ্যালয়